NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-11-2026
Time : 1910 Hrs.

Assamese Evening Bulletin
HEADLINES

oooooooo

১। ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৰে ভাৰতৰ পৰম্পৰাগত চিকিৎসা ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ বাবে আহ্বান জনাইছে।

২। বৈদেশিক পৰিক্রমা মন্ত্রী ড০ এছ্ জয়শংকৰে সামুদ্রিক জাহাজ চলাচল আৰু নাবিকৰ ওপৰত হোৱা আক্রমণ গ্রহণযোগ্য নহয় বুলি উল্লেখ কৰে।

৩। লোকসভাত অহা সোমবাৰৰ পৰা হ'বলগীয়া বৈঠকত কেন্দ্রীয় চৰকাৰে কেইবাটাও গুৰুত্বপূর্ণ বিধায়িনী কার্যসূচী গ্রহণ কৰিব বুলি সংসদীয় পৰিক্রমা মন্ত্রী কিৰেণ ৰিজিজুৰে প্রকাশ কৰিছে।

৪। ভাৰত মণ্ডপমত পৰহিলৈ হ'বলগীয়া ড° ভূপেন হাজৰিকাৰ জন্ম শতবর্ষৰ সামৰণি অনুষ্ঠানৰ বাবে প্রস্তুতি অব্যাহত আছে।

আৰু

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ দ্বিতীয়খন টেষ্ট আজিৰেপৰা ক্রাইষ্ট ছার্চৰ হেংলি অ'ভেলত অনুষ্ঠিত হৈছে।

oooooooo

ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৰে বৈজ্ঞানিক গৱেষণা নথিকৰণ আৰু বিভিন্ন প্রতিষ্ঠানৰ সহযোগিতাৰ জৰিয়তে ভাৰতৰ পৰম্পৰাগত চিকিৎসা ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ বাবে আহ্বান জনাইছে। আজি কেৰলমৰ ত্রিশূৰত অনুষ্ঠিত বৈদ্যৰত্নম আয়ুর্বেদ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্রহণ কৰি ৰাষ্ট্রপতিগৰাকীয়ে এইদৰে কয়। ৰাজ্যখনৰ চহকী আয়ুর্বেদিক ঐতিহ্যৰ কথা উল্লেখ কৰি ৰাষ্ট্রপতিগৰাকীয়ে গুণগত আয়ুর্বেদৰ জ্ঞান সংৰক্ষণ তথা প্রচাৰৰ ক্ষেত্রত অষ্টবৈদ্য পৰিয়ালসমূহৰ অৱদানক ভূয়সী প্রশংসা কৰে। তেওঁ প্রাচীন গ্রন্থ হস্তলিপি চিকিৎসা পদ্ধতি আৰু পৰম্পৰাগত প্রথাসমূহক শৃংখলাবদ্ধভাৱে নথিভুক্ত কৰাৰ প্রয়োজনত গুৰুত্ব আৰোপ কৰে। শ্রীমতী মুর্মুৰে কয় যে তথ্য প্রমাণভিত্তিক স্বাস্থ্য সেৱা শক্তিশালী কৰি তুলিবলৈ আয়ুর্বেদিক মহাবিদ্যালয়সমূহ চৰকাৰী প্রতিষ্ঠান আৰু আন্তঃৰাষ্ট্রীয় সংস্থাসমূহৰ সৈতে যুটীয়া গৱেষণা প্রকল্প গ্রহণ কৰা উচিত। কেৰলমত ইয়াৰ বাবে আন্তঃৰাষ্ট্রীয় কেন্দ্র গঢ়ি উঠাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি তেওঁ প্রামাণিক আৰু বৈজ্ঞানিকভাৱে মূল্যায়ন হোৱা পঞ্চকর্ম পদ্ধতিৰ বিকাশৰ প্রয়োজনত গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানত ৰাষ্ট্রপতিগৰাকীয়ে সোণালী জয়ন্তী উপলক্ষে পৰম্পৰাগত জ্ঞান আৰু আধুনিক প্রগতিৰ সমন্বয়ৰ জৰিয়তে মাতৃ আৰু শিশুৰ বাবে আয়ুর্বেদিক স্বাস্থ্য সেৱা প্রচাৰৰ উদ্দেশ্যে গ্রহণ কৰা উদ্যোগ প্রাণৰ প্রতীক চিহ্ন উন্মোচন কৰে। অনুষ্ঠানত ৰাজ্যখনৰ ৰাজ্যপাল তথা কেন্দ্রীয় ৰাজ্য মন্ত্রী সুৰেশ গোপী আৰু অন্যান্য গন্য-মান্য ব্যক্তি উপস্থিত থাকে।

oooooooo

বৈদেশিক পৰিক্রমা মন্ত্রী ড০ এছ্ জয়শংকৰে সামুদ্রিক জাহাজ চলাচল আৰু নাবিকসকলৰ ওপৰত হোৱা আক্রমণ কোনো পধ্যে গ্রহণযোগ্য নহয় বুলি উল্লেখ কৰি এই ক্ষেত্রত গোলকীয় সঁহাৰিৰ আহ্বান জনায়। ভাৰত মহাসাগৰ ৰীম এছোচিয়েচন - আইঅ'আৰএৰ **শক্তিশালী আঞ্চলিক কণ্ঠ ঃ পৰিৱর্তিত গোলকীয় শৃংখলাত আইঅ'আৰএৰ স্থান** শীর্ষক বিতর্কত অংশগ্রহণ কৰি ড০ জয়শংকৰে কয় যে আন্তঃৰাষ্ট্রীয় আইন বিশেষকৈ ইউ এন চি এল অ' এছক সন্মান জনোৱা উচিত। তেওঁ কয় যে সন্ত্রাসবাদ, মাদক দ্রব্যৰ ব্যৱসায় অথবা অবৈধ, অজ্ঞাত আৰু অনিয়ন্ত্রিত মাছ ধৰা কার্য প্রতিৰোধ কৰাই হওক বা জলবায়ুৰ লগত জড়িত আৰু দুর্যোগৰ পৰিস্থিতিত সঁহাৰি জনোৱাই হওক, আই অ' আৰ এ ৰাষ্ট্রসমূহ অধিক আত্মনির্ভৰশীল হোৱাৰ লগতে অংশীদাৰসকলৰ সৈতে সহযোগ কৰাৰ ক্ষেত্রত অধিক উৎসাহী হ'ব লাগিব। পৰিৱর্তনশীল

গোলকীয় ব্যৱস্থাৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'বলৈ ভাৰত মহাসাগৰ বিশেষভাৱে সাজু হৈ আছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। গোলকীয় বিকাশৰ বাবে সামুদ্ৰিক বাণিজ্যৰ গুৰুত্বৰ কথা উল্লেখ কৰি তেওঁ ইয়াৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰে।

বাইট

০০০০০০০০

লোকসভাত অহা সোমবাৰৰ পৰা হ'বলগীয়া বিশেষ চাৰিদিনীয়া চমু বৈঠকৰ সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ বিধায়িনী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে। সংসদৰ উভয় সদনৰ বিশেষ বৈঠকৰ পূৰ্বে নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয় যে অহা ২ ডিচেম্বৰৰ পৰা হ'বলগীয়া ৰাজ্যসভাৰ অধিবেশনত এই বিধেয়কসমূহ উত্থাপন কৰা হ'ব। শ্ৰীৰিজিজুৱে প্ৰধান ৰাজনৈতিক দলসমূহৰ নেতাসকলৰ সৈতে আলোচনা কৰাৰ লগতে এই ক্ষেত্ৰত সকলো ৰাজনৈতিক দলক সহযোগ কৰিবলৈ আহ্বান জনায়। চৰকাৰে প্ৰচলিত নিয়ম মানি চলা নাই বুলি কেইগৰাকীমান সাংসদে তোলা অভিযোগ প্ৰত্যাখ্যান কৰি শ্ৰীৰিজিজুৱে কয় যে গুৰুত্বপূৰ্ণ বিধায়িনী কাম-কাজৰ বাবে চৰকাৰে সংসদৰ বিশেষ অধিবেশন আহ্বান কৰিব পাৰে আৰু পূৰ্বেও এনে কৰা হৈছে। প্ৰস্তাৱিত বিধেয়কসমূহৰ সন্দৰ্ভত হ'বলগীয়া আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ সকলো ৰাজনৈতিক দলৰ নেতা আৰু প্ৰতিগৰাকী সাংসদক তেওঁ অনুৰোধ জনায়। উভয় সদনৰ কাৰ্যসূচী যাতে সুচাৰুৰূপে পৰিচালিত হয় সেয়া সুনিশ্চিত কৰাটো প্ৰতিগৰাকী সাংসদৰ দায়িত্ব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোট্ৰাই কেৰল বৃহৎ প্ৰতিষ্ঠানসমূহৰ দ্বাৰাই উন্নত ভাৰত গঢ়ি তুলিব নোৱাৰি বুলি মন্তব্য কৰি কয় যে ইয়াৰ বাবে উৎপাদন কাৰখানা, সহযোগী যোগানকাৰী আৰু সেৱা প্ৰদানকাৰীৰ দৰে সৰু উদ্যোগৰো সমানেই প্ৰয়োজন। মুম্বাইত অনুষ্ঠিত এছ এম ই বিত্ত আৰু বিনিয়োগ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰীমালহোট্ৰাই কয় যে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ড ভাৰতীয় অৰ্থনীতিৰ গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে, যি মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ৩১ শতাংশ, উৎপাদন খণ্ডৰ ৩৫ শতাংশ আৰু সৰ্বমুঠ ৰপ্তানিৰ প্ৰায় আধা অংশ অধিকাৰ কৰি আছে। তেওঁ কয় যে এই খণ্ডই ৪৫ কোটিৰো অধিক লোকক জীৱিকা নিৰ্বাহৰ সুবিধা দিয়াৰ লগতে কৃষিৰ পাছতেই দ্বিতীয় বৃহত্তম নিযুক্ত প্ৰদানকাৰী খণ্ড হিচাপে পৰিগণিত হৈছে। শক্তিশালী অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ড জাতীয় অৰ্থনীতিৰ উন্নয়নৰ বাবে অপৰিহাৰ্য বুলি উল্লেখ কৰি তেওঁ কয় যে বিশেষকৈ এই খণ্ডৰ ওপৰত দৃষ্টি ৰাখি সম্পন্ন কৰা ভাৰতৰ মুক্ত বাণিজ্য চুক্তিসমূহে বিদেশত নতুন বজাৰ মুকলি কৰিবলৈ সক্ষম হৈছে।

০০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত পৰহিলৈ হ'বলগীয়া ভাৰতৰত্ন সন্মানেৰে বিভূষিত ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ বাবে প্ৰস্তুতি পূৰ্ণগতিত চলি আছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি মুম্বাইত এই অনুষ্ঠানত পৰিৱেশন কৰিবলগীয়া শিল্পীসকলৰ সংগীতৰ আখৰা প্ৰত্যক্ষ কৰে। মুখ্যমন্ত্ৰী সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে প্ৰকাশ কৰি বিশিষ্ট কণ্ঠশিল্পী কবিতা কৃষ্ণমূৰ্তিক সাক্ষাৎৰ কথা উল্লেখ কৰে। ডঃ শৰ্মাই ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা মুম্বাইৰ চলচ্চিত্ৰ জগতলৈ সুধাকণ্ঠৰ অসাধাৰণ যাত্ৰাত আলোকপাত কৰি কয়, যে যি সময়ত আঞ্চলিক শিল্পীসকলৰ বাবে হিন্দী চলচ্চিত্ৰ জগতত প্ৰতিষ্ঠা লাভ কৰাটো সহজ নাছিল, তেনে সময়তে ভূপেন হাজৰিকাই তেওঁৰ অনন্য প্ৰতিভাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত সুকীয়া পৰিচয় গঢ়ি তুলিছিল। ডঃ শৰ্মাই উল্লেখ কৰে যে, ৰাষ্ট্ৰীয় পৰ্যায়ত উচ্চ স্থান লাভ কৰিও নিজৰ পৰিচয় পাহৰি নোযোৱা ভূপেন হাজৰিকাই অসমৰ লোকসংগীত, সুৰ আৰু অনুভূতিক ভাৰতীয়ৰ সৈতে পৰিচয় কৰাই দিছিল। তেওঁৰ কণ্ঠ, কালজয়ী সৃষ্টি আৰু মানৱতাৰ বাণীয়ে যুগে যুগে ভাৰতীয়ক অনুপ্ৰাণিত কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০০

তামিল চলচ্চিত্ৰ আৰিভুৰ প্ৰযোজক ছাই বিনোদ জয়কুমাৰে গোৱাত অনুষ্ঠিত ৫৭ সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱক চলচ্চিত্ৰ প্ৰেমিকসকলৰ বাবে অতি আকৰ্ষণৰ স্থান বুলি মন্তব্য কৰিছে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে এই মহোৎসৱে চলচ্চিত্ৰ প্ৰযুক্তি আৰু ছবিজগতৰ বিশিষ্ট ব্যক্তিসকলৰ সৈতে ভাৱৰ আদান-প্ৰদানৰ

সুযোগ প্রদান কৰে। চলচ্চিত্রখনৰ দৃশ্যগ্রহণৰ সময়ৰ প্রত্যাহ্বানসমূহৰ বিষয়ে মনত পেলাই তেওঁ এখন পাহাৰীয়া ঠাই গুহাৰ ভিতৰত চিত্রগ্রহণৰ কাম সম্পন্ন কৰাৰ বাবে কাৰিকৰী আৰু শিল্পী দলটোক ভূয়সী প্রশংসা কৰে। বেলজিয়ামৰ চিত্রনির্মাতা ইছাবেল ট'লেনাৰে ভাৰতীয় আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱত তেওঁৰ ছবি **পেৰিছ পেৰিছে** সমাদৰ লাভ কৰাৰ বাবে সন্তোষ প্রকাশ কৰে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে এই মহোৎসৱত তেওঁৰ চলচ্চিত্রখন প্রদর্শিত হোৱাত সুখী হোৱাৰ লগতে ভাৰতীয় দর্শকৰ সৈতে সংযোজিত হ'বলৈ পাই আনন্দিত হৈছে।

বার্ডছন আইচ চলচ্চিত্রখনৰ পৰিচালক শ্বাহিল এইচ শ্বাহে লাডাখৰ বৰফত হকী খেলা খেলুৱৈসকলৰ অদম্য অদম্য মানসিকতা আৰু প্রতিকূল অত্যন্ত শীতৰ পৰিস্থিতিকো নেওচি প্রতিযোগিতাত অংশগ্রহণ কৰা উদ্যমে তেওঁক এই ছবিখন নির্মাণ কৰিবলৈ অনুপ্রেৰণা যোগাইছিল। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত তেওঁ লাডাখৰ সমাজখনৰ কথা উল্লেখ কৰি কয় যে এই সমাজখনে বাহিৰৰ চলচ্চিত্র নির্মাতাসকলক অঞ্চলটোৰ কাহিনীসমূহ উপস্থাপন কৰাৰ বাবে উৎসাহিত কৰি আহিছে।

oooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ চলিত দুখনীয়া ক্রিকেট টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট আজিৰেপৰা ক্রাইষ্ট ছার্চৰ হেংলি অ'ভেলত অনুষ্ঠিত হৈছে। টছত জয়ী হৈ ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলে প্রথমে নিউজিলেণ্ডক বেটিং কৰিবলৈ আমন্ত্রণ জনায়। দিনান্তত ঘৰুৱা দলটোৱে প্রথম ইনিংছত পাঁচটা উইকেটৰ বিনিময়ত ২৪৬ ৰাণ সংগ্রহ কৰে। নিউজিলেণ্ডৰ হৈ ইনিংছ মুকলি কৰা অধিনায়ক ল'থামে ৫৯ ৰান কৰি আউট হয়। ভাৰতৰ হৈ আকাশদীপে দুটা উইকেট লাভ কৰে। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ প্রথমখন টেষ্ট ড্র হৈছিল।

oooooooo

সমাপ্ত